# অসম আদিত্য

❏ অসম আদিত্য, ডিব্ৰুগড় ❏ শুকুৰবাৰ, ৩১ মে', ২০২৪ ❏ ১৭ জেঠ, ১৯৪৬ শক


# ডিব্ৰু মহাবিদ্যালয়ত 'গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা তথা কেঁচু সাৰ প্ৰস্তুতকৰণ' শীৰ্ষক কৰ্মশালা



ডিব্ৰুগড়, ৩০ মে'ঃ যোৱা ২৭ আৰু ২৮ মে'ত ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাংগণত 'মিছন লাইফ ইন আছাম'ৰ অধীনত 'আছাম ছায়েঞ্চ টেকন'লজি এণ্ড এনভাইৰ'মেণ্ট কাউঞ্চিল'ৰ অনুদানত তথা মহাবিদ্যালয়খনৰ ইক' ক্লাব আৰু আইক্যুএইচিৰ যুটীয়া সহযোগত 'গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা তথা কেঁচু সাৰ প্ৰস্তুত' শীৰ্ষক এখন দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হৈছিল। উক্ত কৰ্মশালাৰ প্ৰথম দিনাখন ডিব্ৰু মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড০ জোনালী দাসে আঁত ধৰা সভাখনত মুখ্য বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ সুৰজিত কোঁৱৰ। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ মনোগ্ৰাহী হোৱাকৈ আৱৰ্জনাৰ প্ৰকাৰ, ইয়াৰ সঠিক ব্যৱস্থাপনা, সমাজত পৰা ইয়াৰ ঋণাত্মক প্ৰভাৱ ইত্যাদিৰ ওপৰত সাৰুৱা বক্তব্য প্ৰদান কৰে। ইয়াৰোপৰি সভাখনত উপস্থিত থকা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাই আৰু উপাধ্যক্ষা চন্দনা গগৈ লগতে ইক' ক্লাবৰ সমন্বয়ক ড০ ভিভিয়ান শইকীয়াই কৰ্মশালাটো অনুষ্ঠিত কৰাৰ তাৎপৰ্য ব্যাখ্যা কৰে। কৰ্মশালাৰ দ্বিতীয় দিনা সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপিকা হিমাদ্ৰী শৰ্মাই আঁত ধৰা সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী তথা জ্যেষ্ঠ বৈজ্ঞানিক ড০ দিগন্ত শৰ্মা আৰু ফাৰ্ম মেনেজাৰ শান্তনু পল। উভয়ে অতি সহজ-সৰল ভাষাত কেঁচু সাৰ প্ৰস্তুত, প্ৰস্তুতকৰনৰ পদ্ধতি, ইয়াৰ সঠিক প্ৰয়োগ আৰু বাণিজ্যিক লাভালাভৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। ঘৰতে উৎপন্ন হোৱা বিভিন্ন জৈৱিক আৱৰ্জনাৰ পৰা কিদৰে কেঁচু সাৰ প্ৰস্তুত কৰি উপাৰ্জনমুখী হ'ব পাৰি সেই সম্পৰ্কেও ছাত্ৰসমাজক অৱগত কৰে। লগতে শান্তনু পলে ব্যৱহাৰিকভাৱে কিদৰে কেঁচু সাৰ প্ৰস্তুত কৰিব পাৰি সেয়া কৰি দেখুৱায়। কৰ্মশালাটিৰ মুখ্য কেন্দ্ৰ বিন্দু হিচাপে উপস্থিত থাকে ডিব্ৰুগড়ৰ সমীপৱৰ্তী দহখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকল। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি বৃক্ষৰোপণ আৰু এলানি কুইজৰো আয়োজন কৰা হয়। সভাৰ শেষত মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড০ দীপশিখা মৰাণে শলাগৰ শৰাই আগবঢ়ায়।